# BELIEVERS EASTERN CHURCH

Office of the Metropolitan, Synod Secretariat, St. Thomas Community, Thiruvalla, Kerala, India

**ৰখীয়াৰ পত্ৰ**

জানুৱাৰী/ ফেব্ৰুৱাৰী ২০২৪

পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্মাৰ নামত সকলো আৰ্চবিশ্বপ আৰু বিশ্বপ, পুৰোহিত আৰু ডিকন পুৰোহিত, প্ৰচাৰক আৰু অৰ্ডাৰ অফ চিষ্টাৰ্ছ, আৰু বিশ্বব্যাপী বিলিভাৰ্চ ইষ্টাৰ্ন চাৰ্চৰ সকলো বিশ্বাসী আশীৰ্বাদ আৰু অভিনন্দন জ্ঞাপন কৰো। আমেন! ✠

**খ্ৰীষ্টত অতিশয় প্ৰিয়সকল,**

খ্ৰীষ্ট আমাৰ সৈতে আছে!

যিদৰে আমি পবিত্ৰ মণ্ডলীৰ আটাইতকৈ উল্লেখযোগ্য কালৰ কাষ চাপি আহিছোঁ তেনেদৰে এইটো আপোনালোকলৈ লিখিবলৈ পাই মোৰ অপৰিসীম আনন্দ হৈছে। ২০২৪ চনৰ ১১ ফেব্ৰুৱাৰীৰ পৰা ৩১ মাৰ্চলৈকে "মহালেণ্টৰ কাল।'

এই কালটো উপবাস আৰু প্ৰাৰ্থনাৰ সময় হিচাপে পালন কৰা হয় য'ত বিশ্বাসীসকলে পৃথিৱীত খ্ৰীষ্টৰ শেষ দিনবোৰৰ কথা মনত পেলায় যিয়ে তেওঁৰ মৃত্যু, কবৰ দিয়া আৰু বিজয়ী পুনৰুত্থানৰ সূচনা কৰে। খ্ৰীষ্টৰ অনুগামী আৰু তেওঁৰ পবিত্ৰ মণ্ডলীৰ সদস্য হিচাপে আমি এই কালৰ বাবে আগ্ৰহী কাৰণ এইটোৱে আমাক 'ইষ্টাৰৰ উৎসৱক যোগ্যভাৱে পালন কৰিবলৈ নিজকে প্ৰস্তুত কৰাত সহায় কৰে। এই কালত আমি আত্মিকভাৱে নবীকৃত হবলৈ প্ৰকৃত নম্ৰতা আৰু ভগ্নতাৰে আমাৰ জীৱনটো পৰীক্ষা কৰিবলৈ ধীৰ আৰু থমকি ৰ'বলৈও ইচ্ছাকৃতভাৱে বাছনি কৰোঁ।

ইয়াৰ উপৰিও **লেণ্টৰ তিনিটা স্তম্ভ** আছে, যিবোৰ মণ্ডলীৰ সকলো বিশ্বাসী সদস্যৰ বাবে উদ্দেশ্য কৰা হৈছে।

**প্ৰাৰ্থনাঃ** লেণ্টৰ সময়ত আমাক অধিক প্ৰাৰ্থনা কৰিবলৈ আহ্বান কৰা হয়। আমি যিমানেই প্ৰাৰ্থনা কৰোঁ, সিমানেই আমি আমাৰ জীৱনত ঈশ্বৰৰ ইচ্ছা পৰিপূৰ্ণ কৰিবলৈ সলনি হওঁ, যেনে স্বৰ্গত। আমি প্ৰাৰ্থনা কৰোঁ আৰু প্ৰভুৰ দয়া বিচাৰো যাতে তেওঁ আমাৰ পাপ ক্ষমা কৰে আৰু আমাক তেওঁৰ দৰে কৰিব পাৰে যাতে আমি আমাৰ দৈনন্দিন জীৱনত ধাৰ্মিকতাৰ ফলৰ বাহক হওঁ।

**উপবাসঃ** আমি কেৱল খাদ্যৰ পৰাই নহয়, পাপৰ অভ্যাসৰ পৰাই উপবাস কৰিব লাগিব। আমি আমাৰ আবেগবোৰৰ ওচৰত অৰ্পণ কৰা উচিত নহয়, কিন্তু ঈশ্বৰৰ দয়া আৰু অনুগ্ৰহৰে জয়ী হৈ ঐশ্বৰিক স্বভাৱৰ অংশীদাৰ হোৱা উচিত। আমি যেনেকৈ কিছুমান বিশেষ খাদ্যৰ পৰা বিৰত থাকোঁ, তেনেকৈয়ে নেতিবাচক চিন্তা, কথা আৰু কৰ্মৰ পৰাও বিৰত থাকক। আপোনাৰ ঘৰখনক প্ৰাৰ্থনা আৰু প্ৰতিফলনৰ পবিত্ৰস্থানলৈ ৰূপান্তৰিত কৰক, আত্মিক বৃদ্ধিৰ ভৰণ-পোষণ কৰা পৰিৱেশ এটা গঢ়ি তোলক।

**দানশীলতাঃ** যিচয়া ৫৮ঃ৭ পদত শাস্ত্ৰই কোৱাৰ দৰে, আমাৰ উপবাসে ঈশ্বৰক সন্তুষ্ট কৰে যেতিয়া আমি দুখীয়া আৰু পীড়িত লোকৰ যত্ন লওঁ। যেতিয়া আমি লেণ্টৰ সময়ত খাদ্যৰ পৰা উপবাস কৰোঁ, আমি অভাৱী লোকসকলৰ সৈতে ভাগ-বতৰা কৰিবলৈ ধন আৰু অন্যান্য সম্পদ ৰাহি কৰিব বিচাৰো। প্ৰয়োজনীয় লোকসকলৰ সৈতে ভাগ-বতৰা কৰাটোৱে ঈশ্বৰক সন্তুষ্ট কৰে। এটা পৰিয়াল হিচাপে আৰু লগতে এটা পাৰিছ হিচাপেও ইয়াক মহা-লেণ্টৰ এই বতৰত অনুশীলন কৰিব পাৰি।

মহা-লেণ্ট পালনৰ দুটা গুৰুত্বপূৰ্ণ অংশ হল আমি ব্যক্তি হিচাপে লোৱা পদক্ষেপ আৰু আমি এক পাৰিছ হিচাপে একেলগে জড়িত হোৱা কাৰ্যকলাপ। দুয়োটা উপাদানৰ সমান গুৰুত্ব আছে।

ব্যক্তিগতভাৱে, আমি উপবাস, স্ব-মূল্যাংকন আৰু প্ৰাৰ্থনা আৰু ধ্যানৰ ব্যক্তিগত সময়বোৰ অনুসৰণ কৰাৰ প্ৰতিশ্ৰুতি কৰোঁ। আনহাতে, আমাৰ বাবে সমবেতভাৱে আমাৰ বাবে আহ্বানটো হল আমাৰ পৰিয়ালৰ লগতে যিমান পাৰি সিমান লিটাৰ্জীকেল সেৱাত অংশগ্ৰহণ কৰিবলৈ চেষ্টা কৰা। আনন্দৰ কথাটো হল এই যাত্ৰাত আমি অকলশৰীয়া নহয়। আমাৰ পাৰিছখন এটা আত্মিক পৰিয়াল হৈ পৰে, ইজনে সিজনক সমৰ্থন আৰু উত্থাপন কৰে, কাৰণ আমাৰ ভাগ-বতৰা কৰা প্ৰতিশ্ৰুতিতেই আমি শক্তি আৰু উৎসাহ পাওঁ।

ইয়াৰ উপৰিও তলত উল্লেখ কৰা কথাবোৰৰ বাবেও গুৰুত্ব দিবলৈ আহ্বান জনাওঁঃ

**১) মণ্ডলীৰ সকলো লেণ্ট উৎসসমূহ ব্যৱহাৰ কৰকঃ** পবিত্ৰ চিনʼডৰ পৰা আপুনি কেইবাটাও আত্মিক সহায়ক যেনে দৈনিক শাস্ত্ৰ পাঠ, দৈনিক লেণ্টৰ ধ্যান, দৈনিক প্ৰাৰ্থনা লিটাৰ্জী আৰু উপবাসৰ ওপৰত নিৰ্দেশনা লাভ কৰিব যাতে আমি মহা-লেণ্টৰ দিনবোৰৰ যোগেদি অৰ্থপূৰ্ণ যাত্ৰা কৰিব পাৰো।

**২) ঘৰ প্ৰাৰ্থনাৰ বেদীঃ** লেণ্ট হৈছে প্ৰাৰ্থনা বৃদ্ধিৰ সময় আৰু আমাৰ ঘৰতো এনেকুৱা হব লাগিব। আহক আমি নিশ্চিত কৰোঁ যে লেণ্টৰ বতৰত পৰিয়ালৰ বেদী আৰু ঘৰত প্ৰাৰ্থনা বিফল নোহোৱাকৈ চলি থাকে।

**৩) যীচুৰ প্ৰাৰ্থনাটো কৰকঃ** "প্ৰভু যীচু খ্ৰীষ্ট, ঈশ্বৰৰ পুত্ৰ, মই এক পাপী মোক দয়া কৰক," হৈছে এক প্ৰাৰ্থনা যিটো আমি গোটেই দিনটো কৰিব পাৰোঁ। যদি আপোনাৰ ওচৰত প্ৰাৰ্থনাৰ ৰছী আছে, তেন্তে আপুনি যিমান বাৰ পাৰে এই প্ৰাৰ্থনাটো কৰক।

মই আমাৰ সকলোকে পবিত্ৰ মণ্ডলীৰ এই আমন্ত্ৰণক আওকাণ নকৰিবলৈ উৎসাহিত কৰোঁ! আপোনাৰ আত্মিক পিতৃ হিচাপে, মইও এই যাত্ৰাত আপোনাৰ সৈতে সহযোগ দিম আৰু আমি সকলোৱে মিলি আমাৰ প্ৰভুৰ আশীৰ্বাদ পাবলৈ আন্তৰিকতাৰে বাট চাই থাকোঁহঁক।

খ্ৰীষ্ট আমাৰ সৈতে আছে! তেওঁ আছে আৰু সদায় থাকিব, আমেন।

খ্ৰীষ্টত আপোনালোকৰ পিতৃ,

**তাৰিখঃ** ১৫ জানুৱাৰী ২০২৪

অথানাছিয়ছ য়হান ১ মেট্ৰপলিটান

**স্থানঃ পবিত্ৰ চিনড**

---

**নিৰ্দেশঃ** অনুগ্ৰহ কৰি এইটো সুনিশ্চিত কৰক যে এইটো সকলো আঞ্চলিক ভাষাত অনুবাদ হয় আৰু বিশ্বাসীবিলাকৰ উৎসাহৰ বাবে সকলো পাৰিছত পঢ়া হয়।